

বহলপুৰৰ ৰত্নপীঠ মহাবিদ্যালয়ত সতীৰ্থ সন্মিলন

# কবিতা পুথি উন্মোচন

প্ৰতিদিন বিশেষ সেৱা, বহলপুৰ, ১৬ মাৰ্চ ঃ ধুবুৰী জিলাৰ বহলপুৰৰ ৰত্নপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ১১ মাৰ্চত 'সতীৰ্থ সন্মিলন' সম্পন্ন হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ ডিজিটেল কক্ষত হোৱা মনোজ্ঞ অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ মত বিনিময় হয়। আনহাতে কবিতা আবৃত্তি, নৃত্যানুষ্ঠান, গজল পৰিৱেশন আদিয়ে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰত্নপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত 'নাহৰ পাতত তুমি পত্ৰলেখা' নামৰ কবিতা পুথি এখনো উন্মোচন কৰা হয়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জুলা দাসৰ সম্পাদনাত প্ৰকাশিত কবিতা পুথিখন উন্মোচন কৰে ৰত্নপীঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তৰণীকান্ত ৰায়ে। উল্লেখযোগ্য যে ৰাম গগৈ বঁটাপ্ৰাপক কবি, গীতিকাৰ তথা ঔপন্যাসিক বিৰিঞ্চি ৰাভাই 'নাহৰ পাতত তুমি পত্ৰলেখা' কবিতা পুথিখনৰ আগকথা লিখিছে। অধ্যাপিকা গুল ৰৌশনাৰা বেগমে আঁত ধৰা অনুষ্ঠানত বহুসংখ্যক প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। 'নাহৰ পাতত তুমি পত্ৰলেখা' কবিতা পুথিখনৰ সম্পাদনা কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নয়ন কলিতা (সভাপতি), অধ্যাপিকা মঞ্জুলা দাস (সম্পাদক), অধ্যাপিকা গুল ৰৌশনাৰা বেগম (সদস্য), অধ্যাপক ড° চন্দন লহকৰ (সদস্য) আৰু অধ্যাপিকা ড° মনীষা তালুকদাৰে (সদস্য)।